প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজন ব্যক্তিৰ ব্যক্তিত্বৰ বৰ্ণনা কৰা হয়।

<u>ব্যক্তিত্বৰ সংজ্ঞা</u> (Definitions of personality):-

(1) গৰ্ডন অলপৰ্ট (Gordon Allport) ৰ মতে "ব্যক্তিৰ অন্তৰ্নিহিত দেহ মানসিক প্ৰক্ৰিয়াৰ লগত তেওঁৰ পৰিবেশৰ অভিনৱ ৰূপত যোৱা সমাযোজনৰ গতিশীল সংগঠনেই হৈছে ব্যক্তিত্ব"। (personality is the dynamic organisation within the individual of those psycho-physical system that determine his unique adjustment to his environment".)

(2) মৰ্টন প্ৰিন্স (Morton prince) ৰ মতে, "ব্যক্তিত্ব হৈছে ব্যক্তিৰ অন্তৰ্নিহিত জৈৱিক প্ৰৱণতা, তাড়না, ক্ষুধা আৰু প্ৰবৃত্তি আদি আৰু অভিজ্ঞতাৰ দ্বাৰা আয়ত্ত কৰা প্ৰৱণতাবোৰৰ সমষ্টি" (personality is the sum total of all the biological innate disposition, tendencies, appetites and instincts of the individual and the dispositions and tendenceies acquired by experience".)

(3) মাৰ্টিন নিউমেয়াৰ (Martin New Mayer) ৰ মতে "এজন ব্যক্তিক যিবিলাক বিশেষ গুণ বা লক্ষণে বিভূষিত কৰে সেই গুণ বা লক্ষণৰ সমষ্টিয়ে ব্যক্তিত্ব।"

উপৰৰ সংজ্ঞাসমূহৰ পৰা কব পাৰি যে ব্যক্তিত্ব হৈছে এজন মানুহৰ দৈহিক, মানসিক বৈশিষ্ট্য, আশা-আকাংক্ষা, সহজাত প্ৰবৃত্তি, আচৰণ, অভিজ্ঞতা, প্ৰেৰণা, ৰুচি-অভিৰুচি, অনুভূতি, প্ৰৱণতা, দোষ-গুণ, আদিৰ এক জটিল সংমিশ্ৰণ।

—•—

Date :- 22/1/22 <u>Online class</u> 1st sem (M) Prepared by Krishna Bhogan Time : 11.15 to 12.00 PM

<u>Unit - 4</u>

* Intelligence – Meaning, Nature and theories : Two factor theory, group factor theory.
*. Creativity – Concept, characteristics
*. personality – Meaning and Nature
*. Theories of personality – Type and trait theory.

—•—

<u>personality</u> :- এজন মানুহৰ শাৰিৰীক গঠন, ব্যৱহাৰৰ প্ৰকৃতি, বিভিন্ন দিশত থকা প্ৰৱণতা, আগ্ৰহ, মনোভাব, বৌদ্ধিক সামৰ্থ্য আদি বিভিন্ন লক্ষণসমূহ একত্ৰিত হোৱা যাৰ নামটোৱেই হৈছে ব্যক্তিত্ব। অৰ্থাৎ ব্যক্তিত্ব হৈছে বিভিন্ন সংলক্ষণৰ সমষ্টি।

এই ব্যক্তিত্ব শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে "personality". আৰু এই personality শব্দটো লেটিন ভাষাৰ 'persona' শব্দৰ পৰা উৎপত্তি হৈছে। এই 'persona' শব্দৰ অৰ্থ হৈছে 'player's mask' অৰ্থাৎ ভাওৰীয়াৰ মুখা। ভাওৰীয়াসকলে নাটকত নিজৰ ভাব-ভংগী প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা এই মুখাৰ পৰাই কালক্ৰমত বাস্তৱ জীৱনত ব্যক্তিৰ হাব-ভাৱ-ভংগী, আচৰণ, প্ৰতিক্ৰিয়া, গুণাগুণৰ প্ৰতি লক্ষ্য ৰাখি এই persona ৰ পৰা উৎপত্তি হোৱা personality শব্দটো ব্যৱহাৰ কৰা হয়।

ইমধ্যে ব্যক্তিৰ দৈহিক আকাৰ-আকৃতি, সাজ-পোছাক, কথা-বতৰা, মুখমণ্ডলৰ গঠন আৰু প্ৰকাশভংগী, আৱেগ সঞ্চালন, স্বভাৱ চৰিত্ৰ আদিৰ